# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
**0000000000**

**Date :** 02-02-2025
**Time :** 13-40 hrs

ASSAMESE MIDDAY BULLETIN
**HEADLINES**
**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেটক দেশৰ প্ৰগতিৰ পৰিৱৰ্তনকামী পদক্ষেপ বুলি অভিহিত কৰিছে।

২। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটত কৃষি, গ্ৰামাঞ্চলৰ সমৃদ্ধি, নগৰীয়া বিকাশ আৰু নিৰন্তৰ সংস্কাৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে বুলি প্ৰকাশ কৰে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বসন্ত পঞ্চমী আৰু সৰস্বতী পূজা উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

৪। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে সামগ্ৰীৰ ওপৰত আৰোপ কৰা শুল্ক সন্দৰ্ভত কানাডা, মেক্সিকো আৰু চীনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। ***আৰু***

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি মুম্বাইৰ ৱাখেড়ে ষ্টেডিয়ামত খেলোৱা হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেটক দেশৰ প্ৰগতিৰ পৰিৱৰ্তনকামী পদক্ষেপ বুলি অভিহিত কৰিছে। এই বাজেটে বিকশিত ভাৰতৰ লক্ষ্যৰ প্ৰতি দেশৰ যাত্ৰাক ত্বৰান্বিত কৰিব বুলিও তেওঁ উল্লেখ কৰে। এই বাজেটে কৃত্ৰিম বুদ্ধিমত্তা, পুতলা নিৰ্মাণ, কৃষি, জোতা-চেণ্ডেল, খাদ্য প্ৰসংস্কৰণকে ধৰি বিভিন্ন ক্ষেত্ৰত বহনক্ষম উন্নয়ন তথা উদ্ভাৱন আৰু উদ্যমিতাৰ পথ প্ৰশস্ত কৰা বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, এই বাজেটত ১৪০ কোটি জনতাৰ আশা-আকাংক্ষাক বাস্তৱায়িত কৰাৰ বাবে থকা চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ প্ৰতিফলন ঘটিছে। বাজেট সম্পৰ্কত দিয়া এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে দেশৰ বিকাশৰ যাত্ৰাৰ বাবে এইবাৰৰ বাজেটক এটা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি বুলিও অভিহিত কৰিছে। তেওঁ কয়, যে এই বাজেটে প্ৰতিগৰাকী ভাৰতীয়ৰ সপোন পূৰণ কৰিছে। এই বাজেটে সঞ্চয়, বিনিয়োগ, সামগ্ৰীৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ লগতে দেশৰ বিকাশতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি তেওঁ উল্লেখ কৰে।

ooooo

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটত কৃষি, গ্ৰামাঞ্চলৰ সমৃদ্ধি, নগৰীয়া বিকাশ আৰু নিৰন্তৰ সংস্কাৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে বুলি প্ৰকাশ কৰে। সংসদত বাজেট উত্থাপন কৰাৰ পাছত নতুন দিল্লীত কালি বিয়লি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিত্ত মন্ত্ৰীগৰাকীয়ে কয়, যে বাজেটত

বিকশিত ভাৰতৰ দিশে দেশৰ যাত্ৰা সন্দৰ্ভত ভালেমান ব্যৱস্থাৰ কৰা উল্লেখ কৰা হৈছে। তেওঁ কয়, যে সংস্কাৰৰ ছটা নিৰ্দিষ্ট বিষয়ৰ কথা বাজেটত উল্লেখ কৰা হৈছে আৰু চৰকাৰে সংস্কাৰৰ কাৰ্যসূচী অব্যাহত ৰাখিব। বাজেটত স্বাস্থ্য আৰু শিক্ষা খণ্ডৰ স্বাৰ্থৰ প্ৰতি অগ্ৰাধিকাৰ দিয়া হৈছে বুলি শ্ৰীমতী সীতাৰমণে প্ৰকাশ কৰে। তেওঁ, কয় যে জনসাধাৰণৰ মতামতৰ প্ৰতি সঁহাৰি জনাই যোৱা জুলাইত ঘোষণা কৰা আয়কৰ সৰলিকৰণৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। এই সন্দৰ্ভত অহা সপ্তাহত সংসদত নতুন আয়কৰ বিধেয়ক উত্থাপন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। তেওঁ কয়, যে শুল্কব্যৱস্থা সৰলীকৰণ কৰা হৈছে অথবা হ্ৰাস কৰা হৈছে। তেওঁ লগতে কয়, যে কৰ ৰেহাই সীমা ৭ লাখৰ পৰা ১২ লাখলৈ বৃদ্ধি কৰাৰ ফলত এক কোটিৰো অধিক লোক উপকৃত হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বসন্ত পঞ্চমী আৰু সৰস্বতী পূজা উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে শিক্ষা আৰু জ্ঞানৰ সৈতে জড়িত এই উৎসৱে দেশৰ সকলো নাগৰিকৰ বাবে সুখ, সমৃদ্ধি আৰু প্ৰজ্ঞা কঢ়িয়াই অনাৰ কামনা কৰে। এই দিনটোৰ তাৎপৰ্য বিশ্লেষণ কৰি ৰাষ্ট্ৰপতিয়ে ভাৰতক বিশ্বৰ জ্ঞানকেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰাৰ্থনা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও এই উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰে।

ooooo

দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে কাইলৈ বিয়লি প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। প্ৰচাৰ অভিযানৰ সামৰণিৰ দিব চমু চাপি অহাৰ লগে লগে ৰাজনৈতিকত দলসমূহে ভোটদাতাসকলৰ মন জয়কৰাৰ প্ৰচেষ্টা তীব্ৰতৰ কৰি তুলিছে। বিভিন্ন দলৰ শীৰ্ষ নেতাসকলে দলীয় প্ৰাৰ্থীসকলৰ হকে সমৰ্থন আদায়ৰ বাবে ইখনৰ পিছত সিখনকৈ নিৰ্বাচনী সভা আৰু ৰোড শ্ব'ত ভাগ লৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি আৰ কে পুৰমত দলৰ হৈ প্ৰচাৰ চলাব। একেদৰে কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে ৰাজিন্দৰ নগৰ, চান্দনী চ'ক আৰু লক্ষ্মী নগৰত প্ৰচাৰ অভিযানত ভাগ ল'ব।

আম আদমী পাৰ্টীৰ জ্যেষ্ঠ নেতা তথা পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে আজি দিল্লীৰ বিভিন্ন স্থানত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত কেইবাটাও ৰোড় শ্ব'ত ভাগ ল'ব। দলটোৰ জ্যেষ্ঠ নেতা সঞ্জয় সিঙেও আজি কেইবাখনো জনসভাত ভাগ লোৱাৰ কথা।

কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আজি মুস্তাফাবাদ সমষ্টিৰ  কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধীয়েও ৰাষ্ট্ৰীয় ৰাজধানীৰ কেইবাটাও সমষ্টিৰ জনসমাবেশত অংশ লোৱাৰ কথা।

উল্লেখযোগ্য যে, দিল্লী বিধানসভাৰ ৭০ টা সমষ্টিৰ আটাইকেইটাতে ৮৫ বছৰ আৰু ইয়াৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলে ঘৰৰ পৰাই ভোটদানৰ সুবিধা ব্যাপকভাৱে গ্ৰহণ কৰিছে। দিল্লীৰ মুখ্য নিৰ্বাচনী বিষয়াই এটা বিবৃতিযোগে যোৱা ৩১ জানুৱাৰীলৈকে ঘৰৰে পৰা ভোটদান সুবিধাৰ বাবে পঞ্জীকৃত মুঠ ভোটদাতাৰ ৯২ শতাংশই ভোটদান কৰা বুলি প্ৰকাশ কৰিছে। ইয়াৰে ভিতৰত পাঁচ হাজাৰ ৯৮২ গৰাকী জ্যেষ্ঠ আৰু ৯৯৮ গৰাকী দিব্যাংগ ভোটাৰ আছে। ২৪ জানুৱাৰীত আৰম্ভ হোৱা এই সেৱা নিয়মীয়া ভোটগ্ৰহণৰ এদিন পূৰ্বলৈ অৰ্থাৎ মঙলবাৰলৈ উপলব্ধ হ'ব।

দিল্লী বিধানভাৰ বাবে বুধবাৰে ভোটগ্ৰহণ কৰা হ'ব আৰু ৮ ফেব্ৰুৱাৰীত ভোট গণনা কৰা হ'ব।

00000

ভাৰতৰ পৰা পঠোৱা ১৬ হাজাৰ ৪০০ টন চাউল কঢ়িয়াই নিয়া দুখন জাহাজ কালি বাংলাদেশৰ মংলা বন্দৰত উপস্থিত হয়। ইয়াৰে ওড়িশাৰ ধৰ্ম বন্দৰৰ পৰা ৭ হাজাৰ ৭০০ টন আৰু কোলকাতা বন্দৰৰ পৰা ৮ হাজাৰ ৭০০ টন চাউল নিয়া হৈছে। বাংলাদেশৰ মংলাৰ খাদ্য নিয়ন্ত্ৰক কাৰ্যালয়ৰ সৈতে হোৱা বুজাবুজি মতে ভাৰতে বাংলাদেশলৈ ৩০ হাজাৰ টন টাউল পঠিয়াব। ইয়াৰে ৪০ শতাংশ মংলা বন্দৰ আৰু বাকী অংশ চিতাগং বন্দৰলৈ পঠিয়াব। ইয়াৰে প্ৰথম ভাগত ৫ হাজাৰ ৭০০ টন চাউল ইতিমধ্যে ২০ জানুৱাৰীত পঠিয়াই দিয়া হৈছে।

00000

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে সামগ্ৰীৰ ওপৰত আৰোপ কৰা শুল্কৰ প্ৰতি সঁহাৰি জনাই কানাডাৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুডোৱে দেশখনলৈ আহিবলগীয়া ১৫৫ বিলিয়ন ডলাৰ মূল্যৰ আমেৰিকান সামগ্ৰীৰ ওপৰত ২৫ শতাংশ শুল্ক আৰোপৰ ঘোষণা কৰিছে। অটোৱাত অনুষ্ঠিত সংবাদ সন্মিলনত অংশগ্ৰহণ কৰি শ্ৰীট্ৰুডুৱে ১২৫ বিলিয়ন ডলাৰৰ আমেৰিকান আমদানি সামগ্ৰীৰ ক্ষেত্ৰত অহা মঙলবাৰৰ পৰা ২৫ শতাংশ শুল্ক আৰোপ কৰাৰ কথা ঘোষণা কৰে। তেওঁ লগতে ২১ দিনত ১২৫ বিলিয়ন ডলাৰৰ আমেৰিকান সামগ্ৰীৰ ক্ষেত্ৰতো একে ধৰণৰ শুল্ক আৰোপ কৰাৰ কথা ঘোষণা কৰে। শ্ৰীট্ৰুডুৱে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত কয়, যে তেওঁ কেবিনেটক সাক্ষাৎ কৰিছে আৰু মেক্সিকোৰ ৰাষ্ট্ৰপতি শ্বিনবামৰ সৈতেও কথা পাতিব। তেওঁ কয়, যে কানাডাই এনে পৰিস্থিতি বিচৰা নাছিল যদিও বৰ্তমান পৰিস্থিতিৰ মুখামুখি হবলৈ দেশখন সাজু আছে।

ইয়াৰ পূৰ্বে মেক্সিকোৰ ৰাষ্ট্ৰপতি লাডিয়া শ্বিনবামে কয়, যে তেওঁৰ দেশে আমেৰিকাৰ ৰাষ্ট্ৰপতি ট্ৰাম্পে আৰোপ কৰা এই শুল্কৰ  নিজাববীয়াকৈ শুল্ক আৰোপ আৰু অন্যান্য প্ৰতিকাৰ ব্যৱস্থাৰে প্ৰত্যুত্তৰ দিব। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীমতী শ্বিনবামে কয়, যে তেওঁ তেওঁৰ বিত্তমন্ত্ৰীক প্লান-বি ৰণনীতি প্ৰয়োগ কৰিবলৈ নিৰ্দেশ দিছে। যিয়ে মেক্সিকোৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে শুল্ক আৰু শুল্কবিহীন দুয়োটা ব্যৱস্থাকে সামৰি লৈছে।

ইফালে চীনা আমদানিৰ ক্ষেত্ৰত আমেৰিকাই আৰোপ কৰা  ১০ শতাংশ শুল্ক বিষয়ত চীনে বিৰোধিতা কৰিছে। চীনা কৰ্তৃপক্ষই কৈছে যে, দশখনৰ বৈধ অধিকাৰ আৰু স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে চীনে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব। এটা বিবৃতিত চীনৰ বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰই দাবী কৰে যে, চীনৰ স্থিতি দৃঢ় আৰু সামঞ্জস্যপূৰ্ণ। কিয়নো বাণিজ্য আৰু শুল্কত কোনো বিজয়ী নাই।

00000

মুম্বাইত কালি আন্তৰাষ্ট্ৰীয় বিমান বন্দৰত শুল্ক বিষয়াসকলে এহেজাৰ ৬৪৯ কিলোগ্ৰাম এন ডি পি এছ জব্দ কৰে। এই জব্দ কৰা কোকেইনখিনিৰ মূল্য আনুমানিক ১৬ কোটি ৪৯ লাখ হ'ব। এই সংক্ৰান্তত এজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। বিষয়াসকলে চলোৱা এই অভিযানত কোকেইন বুলি সন্দেহ কৰা ১৭০ টা কেপচুল উদ্ধাৰ কৰা হয়।

00000

লিবিয়াৰ উপকূলৰ পৰা ইটালীলৈ অবৈধ প্ৰবজনকাৰী কঢ়িয়াই নিয়া এখন নাও বুৰাৰ ফলত কমেও ২০ জন লোকৰ মৃত্যু হৈছে। মৃত লোককেইজন বাংলাদেশী নাগৰিক বুলি সন্দেহ কৰা হৈছে। অৱশ্যে কালি বাংলাদেশৰ

বৈদেশিক মন্ত্ৰালয়ে মৃতদেহকেইটা চিনাক্তকৰণৰ বাবে উপযুক্ত নথি পোৱা নাই বুলি জানিবলৈ দিয়ে। লিবিয়াৰ পৰা প্ৰায় ৪০ কিলোমিটাৰ দূৰত্বত থকা আজদাবিয়াত শুকুৰবাৰে এই গলিত মৃতদেহকেইটা সমাধিস্থ কৰা হয় বুলি বাংলাদেশৰ  বিদেশ মন্ত্ৰালয়ে জনাইছে। এই লোককেইজন উন্নত সুযোগৰ সন্ধানত লিবিয়াৰ পৰা ইটালীলৈ নাৱেৰে কৰা বিপদজনক যাত্ৰাৰ সময়ত মৃত্যু হোৱা বুলি সন্দেহ কৰা হৈছে। ইয়াৰ পূৰ্বে ৩০ জানুৱাৰীত  লিবিয়াত থকা বাংলাদেশৰ দূতাবাসে এটা বিবৃতিযোগে লিবিয়াত একাধিক মৃতদেহ উদ্ধাৰ কৰা বাতৰিত উদ্বেগ প্ৰকাশ কৰিছিল।

০০০০

গুজৰাটৰ দাং জিলাত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত ৫ জন লোক নিহত হয়। আমালৈ অহা বাতৰি অনুসৰি তীৰ্থযাত্ৰী কঢ়িয়াই নিয়া এখন  বাছ দ' খাৱৈত বাগৰি পৰাৰ ফলত এই ঘটনা সংঘটিত হয়। মহাৰাষ্ট্ৰৰ ট্ৰিম্বাকেশ্বৰৰ পৰা গুজৰাটৰ দ্বাৰকালৈ যোৱা বাছখনত মুঠ ৪৮ গৰাকী তীৰ্থযাত্ৰী আছিল।

০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি মুম্বাইৰ ৱাখেড়ে ষ্টেডিয়ামত খেলোৱা হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে ইতিমধ্যে ৩-১ ফলাফলেৰে শৃংখলা হস্তগত কৰিছে। ভাৰতে প্ৰথম দুখন খেলত জয়লাভ কৰে যদিও ইংলেণ্ডে তৃতীয়খন খেলত বিজয় সাব্যস্ত কৰি শৃংখলাত প্ৰত্যাৱৰ্তনৰ চেষ্টা চলায়। অৱশ্যে চতুৰ্থখন খেলত সূৰ্য কুমাৰ নেতৃত্বাধীন ভাৰতীয় দলে ১৫ ৰানত জয়লাভ কৰি শৃংখলাৰ অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰে।

টি-২০ শৃংখলাৰ পাছত ভাৰত আৰু ইংলেণ্ডৰ মাজত তিনিখন এদিনীয়া খেল খেলোৱা হ'ব। এই তিনিখনীয়া শৃংখলাৰ প্ৰথমখন খেল বৃহস্পতিবাৰে অনুষ্ঠিত হ'ব। বাকী দুখন খেল ৯ আৰু ১২ ফেব্ৰুৱাৰীত খেলোৱা হ'ব।

০০০০

সমাপ্ত